# ECHO OF HIS CALL

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ASSAMESE

REACHING NATIONS

India's National Spiritual Newspaper

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXV    YEAR OF OUR LORD JESUS CHRIST, 2024 OCTOBER    No. 04


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক প্ৰভূৰ প্ৰশংসা হওঁক !

### উপদেশক ১৩:১-১০

১। জ্ঞানৱান সন্তানে নিজৰ পিতৃ কথা শুনে; কিন্তু নিন্দকে অনুযোগ নুশুনে

২। মানুহে নিজৰ মুখৰ ফলৰ দ্বাৰাই মঙ্গল ভোগ কৰে; কিন্তু বিশ্বাসঘাটকে অত্যাচাৰলৈ অভিলাষ কৰে।

৩। যিজনে নিজৰ মুখ চম্ভালে, তেওঁ নিজৰ প্ৰাণ ৰক্ষা কৰে; কিন্তু যিজনে মুখ বহলকৈ মেলে, তেওঁৰ সৰ্বনাশ হয়।

৪। এলেহুৱাই ইচ্ছা কৰিলে একো নাপায়; কিন্তু পৰিশ্ৰমীজনে ইচ্ছা কৰিলে সম্পূৰ্ণভাৱে সন্তুষ্ট হয়।

৫। সত্যতাত চলাজনে মিছা কথা ঘিণ কৰে; কিন্তু দুষ্টলোকে নিজকে বিৰক্ত কৰে আৰু তেওঁ লজ্জাজনক কাৰ্য কৰে।

৬। যেতিয়া এজন লোকে সততাত চলে, তেওঁ ন্যায়ৰ পথ সুৰক্ষিত কৰে। কিন্তু দুষ্টলোকসকল তেওঁলোকৰ পাপৰ কাৰণে বিনষ্ট হয়।

৭। এনে লোক আছে, যিয়ে নিজকে ধনী দেখুৱাই, কিন্তু তেওঁৰ একো নাথাকে; আৰু এনে লোকো আছে যি সকলো দান কৰে, তথাপি তেওঁ প্ৰকৃততেই ধনৱান।

৮। এজন ধনী লোকে নিজৰ সম্পত্তিৰ দ্বাৰাই নিজৰ জীৱনৰ প্ৰায়শ্চিত কৰিব পাৰে, কিন্তু এজন দুখীয়া লোকে তেনেধৰণৰ ভীতি প্ৰদৰ্শনৰ সন্মুখীন নহয়।

৯। যিজনে সততাত চলে, তেওঁৰ প্ৰদীপ প্ৰজ্বলিত হৈ থাকে; কিন্তু দুষ্টলোকৰ চাকি নুমাই যাব।

১০। অহঙ্কাৰে কেৱল বিবাদ জন্মায়; কিন্তু যিসকলে সু-পৰামৰ্শ শুনে, তেওঁলোকৰ লগত প্ৰজ্ঞা থাকে।

## আমাৰ চিন্তাধাৰাবিলাকেই ঃ প্ৰতিবিম্ব দায়ুদৰ পৰা

## Our Thoughts Matter: Reflections FROM DAVID



*মাননীয় প্ৰধান সম্পাদক, ৰেভা ঃ এঞ্জেলীনা ছেল্‌ভাকুমাৰী*

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ নামত আপোনালোকৰ সকলোকে শুভেচ্ছা জনাইছোঁঙ্গ

আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ বিস্তাৰিত পৰিয়ালৰ পত্ৰিকাৰ মাধ্যমেৰে প্ৰতিমাহে ইয়াৰ সদস্যৰ সৈতে আপোনাক সংযোগ কৰিব পাৰি মই মহা আনন্দ পাওঁ।

আমাৰ জীৱনত তেওঁৰ উদ্দেশ্যক পৰিপূৰ্ণ কৰিবলৈ তেওঁৰ পুনৰ আগমণৰ বাবে যুগুত হৈ থাকিবলৈ ঈশ্বৰে আমাক চলাওক।

সন্মানিত বেঞ্জামিন ফ্ৰাঙ্কলিন, মাৰ্কিন যুক্তৰাষ্ট্ৰৰ প্ৰতিষ্ঠাৰ পিতা হিচাপে গণ্য কৰা হয়, তেওঁ কৈছিল, “আপুনি যদি পৰিকল্পনা কৰাত ব্যৰ্থ হয়, তেন্তে আপুনি ব্যৰ্থ হ'বলৈ পৰিকল্পনা কৰিছে”। এইটো গভীৰভাৱে প্ৰভাৱিত বাক্য পৰিকল্পনা আমাৰ জীৱনৰ এটি গুৰুত্বপূৰ্ণ দিশ হয়।

কিছুমান ব্যক্তিয়ে পৰিকল্পনা আৰু সম্পাদন উভয় ক্ষেত্ৰতে শ্ৰেষ্ঠ হ'ব বিচাৰে। কিছুমান ব্যক্তিয়ে পৰিকল্পনা কৰিব পাৰে, কিন্তু তেওঁলোকে নিজৰ কৌশলক

*৩ পৃষ্ঠাত চাওঁক*




ইখ অফ হীজ কল


ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

প্ৰত্যেক দিনে পুৱা ২ বজাত

তামিল দেওবৰীয়া উপাসনা পুৱা ৮-৩০ বজাত

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)




## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...

REACHING NATIONS



**আমাৰ মিশ্বন নীতি**

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।

HON. EDITOR-IN-CHIEF
Rev. Angeline S. Kumari, M.A., M.Sc., M.Ed.
HON. MANAGING EDITOR
Pastor Alex Samson Sam, B.Th., M.Div.
GENERAL MANAGER
Bro. N. Prakasam, M.A., M.Sc.(C&P), PGDHRM., MBA.
ADMINISTRATION
Sis. Jesy Veena Sam
Adv. K. Puratchivendan, M.Com., C.A., B.L.
Dr. P.E.R. Premchand, M.Sc., M.A., M.Ed., Ph.D.
Dr. C.G.S. Baburao, B.Tech., M.Tech. (DM), Ph.D.
Dr. Rabinder Boaz, M.S. (CMC)
EDITORIAL BOARD
Dr. Serena Bevin, M.A., M.Phil., B.Ed.
Sis. Sajini Cherian
Rev. Dr. K.R. Rajasekaran
EDITOR, PUBLISHER & PRINTER
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 98412 71858
95661 31858
E.MAIL
sam@echoofhiscall.org
biblecor@yahoo.co.in
WEBSITES
www.echoofhiscall.org
www.stpaulsmatriculation.com
YOUTUBE CHANNEL
Echo of His Call

**“যিহোৱাই তোমালোকৰ বাবে যুদ্ধ কৰিব, আৰু তোমালোক কেৱল নিৰৱে থাকা।” -- যাত্ৰাপুস্তক ১৪:১৪**

প্ৰিয় বন্ধুসকল,

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ অতুলনীয় নামত আপোনালোকক শুভেচ্ছা জনাইছো। আমি পালক এচ. চাম ছেলভাৰাজৰ আত্মজীৱনীখন যুগুত কৰাৰ অগ্ৰগতিত আছো। গত ৫৫ বছৰ ধৰি তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহৰ দ্বাৰাই যদি আপুনি আশীৰ্বাদপ্ৰাপ্ত হৈছে আৰু যদি পালক এচ. চাম ছেলভাৰাজ আৰু তেওঁৰ পৰিচৰ্যাৰ দ্বাৰাই প্ৰভু যীচুখ্ৰীষ্টৰ সৈতে এটা উল্লেখনীয় সাক্ষাৎ আপোনাৰ হৈছে, তেন্তে এই আত্মজীৱনীত অন্তৰ্ভুক্ত কৰিবৰ বাবে আপোনালোকৰ অভিজ্ঞতাসমূহ আমালৈ পঠাবলৈ আদৰণি জনাইছো। ঈশ্বৰে আপোনালোকক আশীৰ্বাদ কৰকঙ্গ

আমি ২০২৪ বৰ্ষ শেষ হোৱাৰ দিশে আগবাঢ়ি গৈ থকোতে, ঈশ্বৰে আমালৈ যি অকথ্য আৰু ব্যাখ্যাতীত সহায় আগবঢ়ালে তাৰ বাবে আমি তেওঁৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ আপোনালোকৰ লগত হাত মিলাইছো। অনেকবাৰ, তেওঁ আপোনাক আমাৰ মিছনক সহায় কৰিবলৈ ব্যৱহাৰ কৰিছে। সেই একেজনা প্ৰভু যীচু খ্ৰীষ্ট আজি আপোনাৰ বাবে উপলব্ধ; গতিকে আপোনাৰ জীৱনত এটা আচৰিত কৰ্মৰ বাবে আপুনি তেওঁত বিশ্বাস আৰু ভৰসা কৰিব পাৰিব।

এই আলোচনীখনৰ মাধ্যমেৰে আমাৰ পৰিচৰ্যাসমূহৰ নিম্নলিখিত ক্ষেত্ৰসমূহৰ বাবে আমি আন্তৰিকতাৰে আপোনালোকক প্ৰাৰ্থনা কৰিবলৈ অনুৰোধ জনাইছো ঃ

১। প্ৰতি মাহে ১৬ টা ভাষাত তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ এই পত্ৰিকা প্ৰকাশনৰ সৈতে প্ৰায় ৭৪ জন ব্যক্তি জড়িত হৈ আছে। তেওঁলোকৰ দায়িত্বসমূহত বাৰ্তা যুগুত কৰা, টাইপিং, অনুবাদ, সংশোধন, পৃষ্ঠা গঠন প্ৰণালী, মেচিন প্ৰিণ্টিং, হাতেৰে ভাঁজ কৰা, লেবেলিং আৰু সঠিক সময়ত ডাকঘৰলৈ আলোচনীসমূহক ডেলিভাৰী কৰাৰ লগতে ই-মেইল পঠোৱাৰ দায়িত্বও অন্তৰ্ভুক্ত আছে। আমাৰ পৰিচৰ্যা বৃদ্ধি হোৱাত, অলপতে শত্ৰুৱে ভাই আৰু ভনীসকলক ৰোগ, পাৰিবাৰিক সমস্যা আৰু আৰ্থিক সমস্যাৰ যোগেদি বাধা দিয়াৰ চেষ্টা কৰি আছে। এইসকল সদস্য আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ উন্নয়নৰ বাবে অনুগ্ৰহ কৰি আপোনালোকৰ প্ৰাৰ্থনাত সোঁৱৰণ কৰিব।

২। সময় অতিবাহিত হয়, কৰ্মজীৱীসকলৰ মনোভাৱ, চৰকাৰৰ নীতি আৰু বন্ধুসকলৰ পৰা আৰ্থিক সহায় হ্ৰাস পোৱাৰ বাবে প্ৰশাসনিক প্ৰত্যাহ্বান তীব্ৰ হৈ আছে। বৰ্তমান দিনৰ অনেক বিশ্বাসীসকলে সমৃদ্ধি, ভ্ৰান্ত শিক্ষা আৰু আধ্যাত্মিক জগতৰ আকৰ্ষণবোৰ আৰু ঈশ্বৰৰ প্ৰকৃত সেৱক সকলৰ অৱহেলাৰ দ্বাৰাই আকৰ্ষিত হৈছে। আমিও প্ৰকৃততে এই পৰিস্থিতিৰ দ্বাৰাই প্ৰভাৱিত হৈছো। কিন্তু আমাৰ প্ৰভুৱে তেওঁৰ দাসসকল আৰু পৰিচৰ্যাবিলাক যত্ন লোৱাত বিশ্বাসী হৈ থাকে।

৩। অনুগ্ৰহ কৰি এনে পৰিৱেশবোৰৰ পৰিবৰ্তনৰ বাবে প্ৰাৰ্থনা কৰক।

৪। আমাৰ মণ্ডলীসমূহ, নহিমিয়া বাইবেল কলেজ, থিয়লজিকেল যোগাযোগ পাঠ্যক্ৰম, বিব্লেকৰ- বাইবেল যোগাযোগ পাঠ্যক্ৰমসমূহ, ইউটিউব পৰিচৰ্যা, ছেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল আৰু ছপাশালসমূহ ভালকৈ চলি আছে; কিন্তু এই সকলো উদ্যোগসমূহক আত্মিক আৰু আৰ্থিক উৎসাহৰ প্ৰয়োজন আছে।

৫। আমাৰ মিছন ক্ষেত্ৰত, মণ্ডলীত, ছপাশালত, কাৰ্যালয়ত, বিদ্যালয়ত আৰু মহাবিদ্যাসয়সমূহত আমাৰ

লগত সহযোগিতা কৰিবলৈ আমাক আৰু অধিক নিবেদিত কৰ্মীসকলৰ প্ৰয়োজন আছে।

৬। আমাৰ হিন্দী আৰু তামিল নহিমিয়া বাইবেল কলেজত ছাত্ৰ-ছাত্ৰী নিয়োগ কৰাটো আমাৰ বাবে প্ৰত্যাহ্বান হৈ পৰিছে। কিছুমান চলাওঁতাসকলে বিভিন্ন কাৰণত তেওঁলোকৰ যুৱকসকলক আমাৰ বাইবেল কলেজত পঠাবলৈ ইচ্ছা কৰা নাই। তেওঁলোকক বিভিন্ন ঠাইত পঠোৱাৰ আগতে আমি সাৱধানে শিক্ষা দিওঁ, প্ৰশিক্ষণ দিওঁ আৰু তেওঁলোকৰ সমস্ত চাহিদা পূৰণ কৰো আৰু ঈশ্বৰে তেওঁলোকক দিয়া আহ্বান অনুযায়ী তেওঁলোকৰ পৰিচৰ্যা চলাই যাবলৈ সক্ষম কৰো। আমি দিয়া প্ৰশিক্ষণৰ বাবে কোনো মূল্য নিবিচাৰো, আমি যিসকল ছাত্ৰক প্ৰশিক্ষণ দিছো তেওঁলোক এতিয়া মিছন ক্ষেত্ৰত তৰাৰ দৰে জিলিকিছে। অনুগ্ৰহ কৰি এই বিষয়ত প্ৰাৰ্থনা কৰক।

এই বছৰত ছেপ্টেম্বৰ, অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ মাহত কিছুমান পৰিচৰ্যা কৰিবলৈ নিৰ্ধাৰণ কৰিছো। এই কাৰ্যসমূহ চলাই নিয়াৰ সময়ত সুৰক্ষাৰ বাবে প্ৰাৰ্থনাৰ সহায় বিচাৰিছো।

আমি যেতিয়া পৰিচৰ্যাত একেলগে যাত্ৰা কৰো তেতিয়া আপোনাৰ সমৰ্থনক গভীৰভাৱে উপলব্ধি কৰো। আমি আপোনাৰ সমস্ত পত্ৰ আৰু ই-মেইলৰ উত্তৰ দিবলৈ চেষ্টা কৰো আৰু আপুনি মণি অৰ্ডাৰ, বেঙ্ক চেক, ডিমাণ্ড ড্ৰাফ্ট, ট্ৰান্সফাৰ, নেট বেঙ্কিং আৰু জি-পেৰ মাধ্যমেৰে পঠোৱা সমস্ত আৰ্থিক অৱদান সমূহৰো উত্তৰ দিওঁ। যদি আপুনি আমাৰ উত্তৰ, ৰচিদ আৰু আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ আলোচনীসমূহ উচিত সময়ৰ ভিতৰত নাপায়, তেন্তে অনুগ্ৰহ কৰি মুক্ত মনে এই নম্বৰত যোগাযোগ কৰক। 91-98410 71858 বা 91-98412 71858 আমি আপোনাক সহায় কৰিবলৈ সাজু থাকো।

ঈশ্বৰে আপোনাক প্ৰচুৰ পৰিমাণে আশীৰ্বাদ কৰক।

খ্ৰীষ্ট যীচুত আপোনাৰ সেৱক,

**পালক এলেক্স চামচন চাম আৰু এচ, চাম ছেলভা ৰাজ**
(+91) 98412 71858 / 98410 71858,
E.mail : sam@echoofhiscall.org

## মনোযোগ দিয়ক ঃ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পঢ়োৱৈসকল

তামিল, তেলেগু, ইংৰাজী আৰু হিন্দী ভাষাত (প্ৰতিদিনে) আমাৰ ৫ মিনিট তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ ইউটিউব বাৰ্ত্তাসমূহ শুনি আপুনি ঈশ্বৰৰ অনুগ্ৰহক গ্ৰহন কৰিব পাৰিব। মোৰ মোবাইল নম্বৰ কেইটাক চেভ কৰি লওক (+91)9841071858, (+91)9841271858 (ব্যক্তিগত)।

*- পালক এচ, চাম ছেলভা ৰাজ*

*....Contd. from page 1*

ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰে। আৰু অন্য এটি দল আছে, যিসকলে কোনো পৰিকল্পনাই নকৰে, পৰিৱৰ্তে প্ৰবাহৰ লগতে চলি যাব বিচাৰে।

মই আশ্চৰ্য হৈছো, আপুনি কোন শ্ৰেণীৰ অন্তৰ্গত? হিতোপদেশত ১৯ঃ২১ পদত পাওঁ যে, *“মানুহৰ হৃদয়ত বহুতো আঁচনি থাকে; কিন্তু যিহোৱাৰ অভিপ্ৰায় থিৰে থাকিব”*।

আমি আমাৰ ভৱিষ্যত, শিক্ষা, বিবাহ, সন্তান, কৰ্মজীৱন আৰু সম্পদ অৰ্জনৰ বাবে অনেক পৰিকল্পনা তৈয়াৰ কৰো। আমি একেৰাহে চিন্তা কৰি আঁচনিসমূহ হাতত লওঁ। কিন্তু অৱশেষত ঈশ্বৰৰ ইচ্ছাৰ দ্বাৰাইহে সকলো ফলৱন্ত হয়। আন এটা পদ হিতোপদেশ ১৬ঃ৯ পদত কৈছে ঃ *মানুহে হৃদয়ত নিজৰ পথৰ বিষয়ে পৰিকল্পনা নিৰূপণ কৰে।* “ডিভাইচেথ. কে. জে. ভি অনুবাদত ব্যৱহাৰ হৈছে, কিন্তু তামিল ভাষাত “মানুহৰ হৃদয়ে ভাৱে” ইয়াক এইদৰে গুৰুত্ব দিয়ে যে ঈশ্বৰে পথ স্থাপন কৰে বা নিৰ্দেশ দিয়ে।

ভবাটো, ঈশ্বৰে মানৱ জাতিলৈ দিয়া এটা অসাধাৰণ উপহাৰ। আনকি মনোবিজ্ঞানীসকলেও নিশ্চিত কৰিছে যে চিন্তাধাৰাবোৰ আচৰিতভাৱে শক্তিশালী; এইবোৰে আমাৰ কৰ্ম আৰু আবেগক নিৰ্দেশ দিয়ে। সেই গতিকে আমি আমাৰ ভাৱনাক আকাৰ দিওঁ আৰু আমাৰ ধাৰণাই, পৰিণতিত আমি কি কওঁ আৰু আমি কেনে আচৰণ কৰো তাৰে প্ৰভাৱ পেলায়। গতিকে চিন্তা আমাৰ জীৱনত এটি গুৰুত্বপূৰ্ণ দিশ হয়।

আমাৰ জীৱনৰ গতিপথক সলনি কৰাৰ ক্ষমতা আমাৰ ধাৰণাতে আছে।

আহক, আমি অনুসন্ধান কৰো যে ঈশ্বৰে আমাৰ বিষয়ে কি ভাৱে। যিৰিমিয়া ২৯ঃ১১ পদে কয়, *“মই তোমালোকৰ বিষয়ে কৰা সংকল্প ময়েই জানো।”* ঈশ্বৰে কেৱল পৰিকল্পনা নকৰে, তেওঁৰ ওচৰত আমাৰ বাবে সংকল্প আছে, যাক বুজায় যে তেওঁ সক্ৰিয়ভাৱে আমাৰ সম্পৰ্কে চিন্তা কৰি আছেঙ্গ আপুনি কল্পনা কৰিব পাৰিবনে যে সৃষ্টিকৰ্তাই, যিজনে পৃথিৱীৰ ঘটনা সংঘটিত কৰে, তেওঁ মোৰ সম্পৰ্কে ইমান সচেতন কিয়? তেওঁ কেৱল আমাৰ ভৱিষ্যতো নহয়, আমাৰ প্ৰজন্মৰ ভৱিষ্যতকো বিবেচনা কৰে। এইটোৱে গভীৰভাৱে আমাৰ পুনৰ নিশ্চিত কৰি দিয়ে যে মই এজন ঈশ্বৰত বিশ্বাস কৰো, যিজনে মোৰ যত্ন লয় আৰু মোৰ বিষয়ে সংকল্প ৰাখে।

বাইবেলে আমাক শিক্ষা দি কয় যে, *“মোৰ চিন্তাধাৰা তোমালোকৰ চিন্তাধাৰা নহয় বা তোমালোকৰ পথ মোৰ পথ নহয়”* (যিচয়া ৫৫ঃ৮)। এইটো কিয়? কাৰণ ঈশ্বৰে যিভাৱে আমাক উপলব্ধি কৰে আৰু আমাৰ

বাবে চিন্তা কৰে তাক আমি নিজকে যিদৰে ভাবো তাৰ একেবাৰেই বেলেগ।

উদাহৰণস্বৰূপে, বিচাৰকৰ্তা ৬ অধ্যায়ত গিদিয়োনক গণ্য কৰি চাওক। তেওঁ মিদিয়নীসকলৰ পৰা লুকুৱাই ওক গছৰ তলত ঘেঁহুধান মাৰি আছিল। মুকলিকে তেওঁ সেই কাৰ্য কৰিবলৈ সাহস গোটাব পৰা নাছিল, গতিকে তেওঁ নিজকে লুকুৱাই ৰাখিছিল। গিদিয়োন কোন আছিল, তাৰ এইটোৱেই বাস্তৱ। কিন্তু, ঈশ্বৰে যেতিয়া গিদিয়োনক দৰ্শন দিলে, চাওক তেওঁক কিদৰে সম্বোধন কৰিছিল- (বিচাৰকৰ্তা ৬ঃ১১-১২)।

*“গিদিয়োনে মিদিয়নীসকলৰ পৰা শস্য লুকুৱাই ৰাখিবৰ বাবে দ্ৰাক্ষ্যগুটি মৰা ঠাইত ঘেঁহুধান মাৰি আছিল।*



***The Angel appeared to Gideon***

*এনে সময়ত যিহোৱাৰ দূতে গিদিয়োনক দৰ্শন দি ক’লে, “হে শক্তিশালী যোদ্ধা, যিহোৱা তোমাৰ লগত আছে!”*

যেতিয়া ঈশ্বৰে গিনিয়োনক এজন শক্তিশালী যোদ্ধা বুলি সম্বোধন কৰিছিল, তেতিয়া গিদিয়োনে নিজকে বেলেগকৈ উপলব্ধি কৰিছিল। (বিচাৰকৰ্তা ৬ঃ১৫)।

তেওঁ উত্তৰ দি ক’লে, *“কিন্তু হে মোৰ প্ৰভু, মই কেনেকৈ ইস্ৰায়েলক উদ্ধাৰ কৰিম? চাওক, মনচি ফৈদৰ মাজত মোৰ পৰিয়ালেই হৈছে সকলোতকৈ দুৰ্বল। ইয়াৰোপৰি মোৰ পিতৃ বংশত মইয়ে সকলোতকৈ গুৰুত্বহীন ব্যক্তি।”* গিদিয়োনে নিজকে সকলোতকৈ দুৰ্বল আৰু সৰ্বনিম্ন বুলি ভাৱে, তথাপি ঈশ্বৰে তেওঁক তেওঁলোকৰ শত্ৰুবোৰক পৰাজয় কৰি নিজৰ লোকসকলক উদ্ধাৰ কৰা এজন শক্তিশালী মানুহৰ দৰে দেখিছে।

প্ৰায় সময়ত, আমাৰ নিজৰ ভাৱনাই আমাৰ অগ্ৰগতিত বাধা দিয়ে। আমালৈ দিয়া বৰদান, প্ৰতিভা আৰু আহ্বানসমূহক গুৰুত্ব যদি নিদিওঁ তেন্তে আমি আমাৰ স্বৰ্গীয় উদ্দেশ্যক পৰিপূৰ্ণ কৰাত ব্যৰ্থ হ’ম।

দুজন ইস্ৰায়েল লোকৰ সৈতে দুজন মিচৰীয়া লোক।

## আগলৈ ভাবি চাওক!

তাৰোপৰি, কিছুমান ব্যক্তিসকলে অকালত কাৰ্য কৰে, ঈশ্বৰৰ সময়ৰ বাবে অপেক্ষা নকৰাকৈ তেওঁলোকৰ নিজৰ আঁচনিক গুৰুত্ব দিয়ে। মোচি, যেতিয়া দুজন মিচৰীয়া লোকে যুঁজ কৰি আছিল, তেওঁ হস্তক্ষেপ কৰিবলৈ গৈছিল, ভাবিছিল তেওঁ তেওঁৰ লোকসকলক উদ্ধাৰ কৰিব পাৰিব। কিন্তু, সেইটো ঈশ্বৰৰ নিৰ্দিষ্ট সময় নাছিল। দুজন ইস্ৰায়েল লোকৰ বিবাদক তেওঁ অসময়ত সমাধান কৰিবলৈ যাওঁতে সমস্যাত পৰিলে।

## ভাৱনাৰ শক্তি!

আমাৰ ভাৱনাসমূহ সাধাৰণতে শক্তিশালী; সেইবিলাকে লক্ষণীয়ভাৱে আমাৰ আচৰণত আৰু আবেগত প্ৰভাৱ পেলায়। মনোবিজ্ঞানীসকলে এই প্ৰভাৱৰ স্বীকাৰ কৰে, যাৰ বাবে জ্ঞানীয় আচৰণগত থেৰাপিত এটি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে (চি.বি.টি.)। ভাৱনাই আমাৰ জীৱনৰ এটি গুৰুত্বপূৰ্ণ দিশক নিয়ন্ত্ৰণ কৰে, সেই কাৰণে বাইবেলে আমাক আমাৰ মনটোক নিয়ন্ত্ৰণ কৰিবলৈ উপদেশ দিয়ে। আমি আমাৰ মনক যি কৰিবলৈ অনুমতি দিওঁ, আমি কিভাৱে চিন্তা কৰো তাক গভীৰভাৱে প্ৰভাৱিত কৰে। এটা বিপথগামী ভাৱনাই আমাৰ জীৱনৰ

*৬ পৃষ্ঠাত চাওঁক*


NEHEMIAH BIBLE

RESIDENTIAL / EVENING COLLEGE,
Velachery / Chepauk & Santhoshapuram, Chennai.

Medium : Hindi / Tamil

Recognised by International Christian Leaders & Senior Pastors for the past 55 years

Qualification : 10th Standard & above

Diploma in Theology

Rush for Admission!

Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org
✶ ONLINE CLASSES ARE AVAILABLE ✶

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) **আৰু**
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

**প্ৰশংসা আৰু প্ৰাৰ্থনাৰ অনুৰোধবোৰ**

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**২০২৪ বৰ্ষৰ ১৯ অক্টোবৰৰ পৰা ২০২৪ বৰ্ষৰ ১৮ নৱেম্বৰলৈ**

## ✝ ঈশ্বৰক প্ৰশংসা কৰো কাৰণ ...

**অক্টোবৰ ১৯** ঃ অনেক বাধা সত্বেও তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহে ঈশ্বৰৰ ৰাজ্য স্থাপন কৰাত সমৰ্থ কৰাৰ বাবে।

**অক্টোবৰ ২০** ঃ আমাৰ ছেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ অধ্যক্ষ, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীক আশীৰ্বাদ কৰাৰবাবে।

**অক্টোবৰ ২১** ঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ আলোচনী পৰিচৰ্যাৰ বাবে সমৰ্পিত সহকাৰী সম্পাদকসকলক আশীৰ্বাদ কৰাৰ বাবে।

**অক্টোবৰ ২২** ঃ আমাৰ ছেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ বাবে নতুন অধ্যক্ষ নিয়োগ কৰাত অংশীদাৰৰ বাবে।

**অক্টোবৰ ২৩** ঃ ১৬ টা ভাষাত আমাৰ আলোচনীসমূহ ছপাশালত ছপা কৰি মিশ্বন ফিল্ডলৈ পঠোৱাত আমাক সমৰ্থ কৰাৰ বাবে।

**অক্টোবৰ ২৪** ঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহৰ কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক নিৰাপত্তা দিয়াৰ বাবে।

**অক্টোবৰ ২৫** ঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ ইউটিউব চেনেলৰ মিডিয়া পৰিচৰ্যাৰ ৫ মিনিট বাৰ্তাৰ বিনিময়ত সাক্ষ্যৰ ফলাফলৰ সৈতে আশীৰ্বাদ কৰাৰ বাবে।

**অক্টোবৰ ২৬** ঃ আমাৰ শুভবাৰ্তা ছপাশাল একেৰাহে চলাৰ বাবে আৰু ইয়াক আমাৰ সমৰ্পিত কৰ্মচাৰীসকলৰ দ্বাৰাই সহায় পোৱাৰ বাবে কৃতজ্ঞতা জনাইছো।

**অক্টোবৰ ২৭** ঃ আমাৰ প্ৰাৰ্থনা অংশীদাৰসকল, প্ৰকাশন অংশীদাৰসকল, বিশ্বাস অংশীদাৰসকল, জীৱন অংশীদাৰসকল আৰু মহান আজ্ঞা অংশীদাৰসকলৰ লগতে তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে তেওঁ দয়া কৰাত কৃতজ্ঞতা জনাইছো।

**অক্টোবৰ ২৮** ঃ আমাৰ ভিন্ন পৰিচৰ্যাসমূহক তেওঁ সহায় কৰাৰ বাবে আমি কৃতজ্ঞতা জনাইছো।

**অক্টোবৰ ২৯** ঃ আমাৰ বাইবেল যোগাযোগ পাঠ্যক্ৰম আৰু থিয়লজিকেল যোগাযোগ পাঠ্যক্ৰমৰ বৃদ্ধিক আমি পালন কৰিছো।

**অক্টোবৰ ৩০** ঃ নহিমিয়া বাইবেল কলেজখন ভালকৈ চলিবলৈ নিশ্চিত কৰি দয়া কৰাৰ বাবে।

**অক্টোবৰ ৩১** ঃ আমাৰ পৰিচৰ্যাসমূহ আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ ওপৰত তেওঁৰ আশীৰ্বাদৰ বাবে ধন্যবাদ জনাইছো।

**নৱেম্বৰ ১** ঃ আমাৰ জ্যেষ্ঠ পালকে বিভিন্ন পৰিচৰ্যাসমূহৰ যোগেদি শুভবাৰ্তা প্ৰচাৰ কৰাত তেওঁৰ অঙ্গীকাৰক স্বীকৃতি দিছো।

**নৱেম্বৰ ২** ঃ আমাৰ মুখ্য মণ্ডলীত পুৰুষসকলৰ সভাত তেওঁৰ আশীৰ্বাদ বিচাৰিছো।

**নৱেম্বৰ ৩** ঃ যোৱা মাহত আমাৰ সকলো আৰ্থিক সহায় আৰু আত্মিক সহায় পূৰ্ণ কৰাৰ বাবে ধন্যবাদ জনাইছো।

## ✝ অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

**নৱেম্বৰ ৪** ঃ বিশ্বজুৰি পালকসকল আৰু পৰিচাৰকসকলক স্বৰ্গীয় নিৰাপত্তাৰ বাবে।

**নৱেম্বৰ ৫** ঃ ইউক্ৰেন আৰু ৰাছিয়াৰ মাজত চলি থকা যুদ্ধৰ অন্ত পৰিবলৈ, একতা আৰু শান্তি ঘূৰি আহিবৰ বাবে।

**নৱেম্বৰ ৬** ঃ সকলো খ্ৰীষ্টিয়ান অনুষ্ঠান আৰু মণ্ডলীসমূহৰ ওপৰত আশীৰ্বাদ আৰু নিৰাপত্তাৰ বাবে।

**নৱেম্বৰ ৭** ঃ সকলো বিশ্বাসীসকলৰ হৃদয়ক পোহৰ দান কৰিবৰ বাবে।

**নৱেম্বৰ ৮** ঃ আমাৰ ভনী, জেচি ভিনা চাম ছেলভা ৰাজ পুনৰ অসুস্থ হৈ আছে।

**নৱেম্বৰ ৯** ঃ পৃথিৱীৰ চাৰিওফালে থকা আত্মিক চলাওঁতাসকলৰ বাবে।

**নৱেম্বৰ ১০** ঃ আমাৰ জ্যেষ্ঠ পালকে তেওঁৰ আত্মজীৱনী লিখি থকাৰ সময়ত সহায়ৰ বাবে।

**নৱেম্বৰ ১১** ঃ আমাৰ মিছন ফিল্ডত থকা কৰ্মীসকলৰ বাবে।

**নৱেম্বৰ ১২** ঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিলৈ ঈশ্বৰে আৰু অধিক সমৰ্পিত কৰ্মী যোগাবলৈ।

**নৱেম্বৰ ১৩** ঃ আমাৰ আৰ্থিক সহায়, কৰ্মীসকলৰ দৰমহা, ছপা কৰিবলৈ সামগ্ৰী, পোষ্ট আৰু যাতায়তৰ খৰচ পৰিচৰ্যাৰ বাবে।

**নৱেম্বৰ ১৪** ঃ ড্ৰাগছ আসক্ত আৰু মন্দকৰ্ম কৰোতাসকলে উদ্ধাৰ পাবৰ বাবে।

**নৱেম্বৰ ১৫** ঃ যুৱ আৰু শিশু যত্ন পৰিচৰ্যাৰ বাবে বিশ্বব্যাপী দৰ্শনৰ বাবে যুৱ আৰু শিশুসকলৰ বাবে প্ৰাৰ্থনা কৰিবলৈ তালিকাত আৰু অধিক নাম অন্তৰ্ভুক্ত হ'বৰ বাবে।

**নৱেম্বৰ ১৬** ঃ সকলো ধৰ্মৰ মাজত একতাৰ বাবে।

**নৱেম্বৰ ১৭** ঃ শুভবাৰ্তা নোপোৱা ঠাইত শুভবাৰ্তা বিস্তাৰ কৰিবলৈ।

**নৱেম্বৰ ১৮** ঃ আমাৰ শ্ৰোতাসকল, চৰকাৰী বিষয়াসকল আৰু কৰ্তৃপক্ষসকললৈ তেওঁৰ দয়া অনুগ্ৰহৰ বাবে।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

পাঠ্যক্ৰমক লাইনচ্যুত কৰিব পাৰে, আমাৰ পৰিকল্পনাৰ পৰা আৰু ঈশ্বৰৰ ওচৰত আমাৰ বাবে যি উদ্দেশ্য আছে তাক বিভ্ৰান্ত কৰিব পাৰে।

## দায়ুদৰ অন্তৰ্দৃষ্টি !

দায়ুদে ঈশ্বৰক সন্তোষ দিব বিচাৰিছিল আৰু তেওঁক তেওঁৰ জীৱনৰ কেন্দ্ৰবিন্দুত ৰাখিছিল। চৌলে দায়ুদক বিৰামহীন আক্ৰমণ চলাই থকা সত্বেও, ঈশ্বৰে দায়ুদক চৌলৰ হাতত গতাই নিদিলে। পৰিৱৰ্তে, তিনি-বাৰতকৈ অধিকবাৰ ঈশ্বৰে চৌলক দায়ুদৰ হাতত শোধাই দিছিল। কিন্তু দায়ুদে চৌলৰ ওপৰত থকা অভিষেকক সন্মান জনালে যদিও চৌলে স্বৰ্গীয় নিযুক্তিৰ মতে চলা নাছিল।

এবাৰ দায়ুদে যেতিয়া এখন সুৰক্ষিত চহৰ কয়ীলালৈ গৈছিল, তেতিয়া ভাবিলে, শক্তিশালী বেৰবোৰক পাৰ কৰি যাব নোৱাৰিব (১ চামুৱেল, ২৩ অধ্যায়) আৰু এবাৰ আমি পাওঁ যে ঈশ্বৰে দায়ুদক ৰক্ষা কৰিছিল। ২৬ অধ্যায়ত, চৌলে অলপতে দায়ুদক ধৰিব নোৱাৰিলে, কিয়নো ঈশ্বৰে পুনৰ এবাৰ দায়ুদক ৰক্ষা কৰিলে।

আৰু আন এটা সময়ত, ২৬ অধ্যায়তে আমি পাওঁ যে যেতিয়া চৌলে দায়ুদক বিচাৰি আহিছিল, তেতিয়া দায়ুদে চৌলক বধ কৰিবলৈ এক সুন্দৰ সুযোগ পাইছিল, কিন্তু দায়ুদে ঈশ্বৰৰ অভিষিক্ত জনাক ওপৰত হাত তুলিবলৈ নিবিচাৰিছিলে, পৰিৱৰ্তে তেওঁ তাৰ পৰা গুচি গৈছিল। হ'ব পাৰে চৌলে কিমান আবেগপূৰ্ণভাৱে দায়ুদক হত্যা ৰক্ষা কৰি আছিল। ১ চামুৱেল ২৩ঃ২৪ পদত লিখা আছে, *"... চৌলে সদায় তেওঁৰ অপেক্ষাত আছিল, কিন্তু ঈশ্বৰে তেওঁৰ হাতত তেওঁক সমৰ্পণ নকৰিলে।"*

তথাপি আমাৰ জীৱনত অহাৰ দৰে দায়ুদৰ জীৱনতো এটা সময় আহিছিল। যেতিয়া ঈশ্বৰক প্ৰেম কৰোঁ, ভৰসা কৰোঁ আৰু জানো যে তেওঁ আমাক প্ৰেম কৰে, যত্ন লয় আৰু আমি বিচৰাতকৈ বা কল্পনা কৰাতকৈ অধিক কৰিব পাৰে। তথাপি সন্দেহ আহি যায় আৰু আমি দুৰ্বল সিদ্ধান্ত লৈ লওঁ।

দায়ুদৰ জীৱনত ১ চামুৱেল ২৭ অধ্যায়টো এটা কৌতুহল অধ্যায়, তেওঁৰ সৰ্বনিম্ন পইণ্টক চিহ্নিত কৰিছে।

ইংৰাজী বাইবেলত এই খণ্ডবাক্যৰে আৰম্ভ হৈছে, "তেতিয়া দায়ুদে ভাবিলে।" তেওঁ অকস্মাতে ভয় খায় ভাবিলে, কিজানি চৌলে তেওঁক ধ্বংস কৰাত কৃতকাৰ্য হৈ যাব পাৰিব। ফলস্বৰূপে, তেওঁৰ নিৰাপত্তাক সুনিশ্চিত কৰিবলৈ সিদ্ধান্ত ল'লে। দায়ুদে পলেষ্টিয়াসকলৰ মাজত আশ্ৰয় ল'বলৈ, ভুলক্ৰমে তেওঁ ভাবিলে যে ঈশ্বৰৰ হাতত থকাতকৈ শত্ৰুৰ মাজত থাকিলে তেওঁ অধিক গৈছে-- আমাৰ অগ্ৰাধিকাৰক পুনৰ বিচাৰ কৰিবলৈ এইটোৱেই উচিত সময়। আমি যি বস্তুক উপভোগ কৰোঁ সেইবোৰ বস্তু ঈশ্বৰৰ পৰা হয় নে নহয় তাৰ ভাব আমি প্ৰকাশ কৰিব লাগিব।

দায়ুদ আনন্দিত আছিল, তেওঁ বিশ্বাস কৰিছিল যে তেওঁ যিমান নিৰ্মম হত্যাকাণ্ড কৰিছিল, ঈশ্বৰক সন্তোষ দিছিল আৰু তেওঁৰ কৰ্মক ন্যায্যতা বুলি ভাবিছিল। আচৰিতভাৱে, সেই সময়ছোৱাত, দায়ুদে গীতমালা ৰছা আমি দেখা নাই । মই ভাবো যে তেওঁৰ ধাৰণাই তেওঁক এনে ধৰণৰ মানসিকতা সৃষ্টি কৰিলে যে কোনো সংকোচ নকৰাকৈয়ে হত্যা কৰিছিল। বাইবেলে কয়, "দায়ুদে সেই দেশত থকা লোকসকলক আক্ৰমণ কৰিলে আৰু তেওঁলোকৰ পুৰুষ-মহিলা কাকো জীয়াই নাৰাখিলে, তাৰ পৰা সকলো মেৰ, ছাগ, সৰু, গাধ, উট আৰু কাপোৰ আদি লৈ আখীচৰ ওচৰলৈ উভতি আহিল" (১ চামুৱেল ২৯ঃ৯)।

*....Contd. to page 8*

**NEHEMIAH BIBLE**

**RESIDENTIAL / EVENING COLLEGE,**
**Velachery / Chepauk & Santhoshapuram, Chennai.**

**Medium : Hindi / Tamil**

**Recognised by International Christian Leaders & Senior Pastors for the past 55 years**

**Qualification : 10th Standard & above**

**Diploma in Theology**

**Rush for admission!**

**Contact : The Chairman, Nehemiah Bible College.**
**10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.**
**Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858**
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

## MAIN CHURCH PROGRAMMES

1. Prayer Service : 24 hours
2. **ECHO OF HIS CALL** - Monthly Magazines :English, Tamil, Malayalam, Telugu, Hindi, Kannada, Marathi, Gujarati, Bengali, Odiya, Nepali, Assamese, Punjabi, Urdu, Sinhala & Afrikan.
3. **BIBLECOR** - Basic Bible Courses (English, Tamil & Hindi)
4. Theological Correspondence Courses: English & Tamil
5. Nehemiah Bible Colleges (Chepauk, Santhoshapuram & Velachery)
6. Great Commission Partners (Network of Pastors)
7. Training Programmes – Seminars & Retreats
8. Crusades
9. Literature Distribution and Follow Up
10. Gospel Printing Press - Publications
11. St. Paul's Matriculation School - Village English High School
12. Sunday Schools (Chepauk) : 10.30 a.m. Sunday & (Velachery, Balaji Nagar & Santhoshapuram) 3.00 p.m. Sunday
13. **Early Morning Service : 5.30 a.m. Sunday**
14. **Preliminy Service : 8.00 a.m. Sunday**
15. **Tamil Service : 8.30 a.m. Sunday**
16. **Youth Meeting : 11.00 a.m. Sunday**
17. **Fellowship Lunch : 1.00 p.m. Sunday**
18. **Hindi Service : 4.00 p.m. Sunday**
19. **Telugu Service : 5.00 p.m. Sunday**
20. **English & Hindi Service : 6.00 p.m. Sunday**
21. Feedback Time : 7.30 p.m. Sunday
22. Women's Prayer : 5.30 p.m. Wednesday
23. Men's Prayer : 7.00 p.m. Friday
24. Discipleship Meeting : 6.00 p.m. Saturday
25. House Meetings : 6.30 p.m. Tuesday & Thursday
26. Special Holy Communion : 6.00 a.m. 1st day of each month
27. Ministers' Meeting : 6.00 p.m. First Saturday
28. Parents' Prayer : 4.00 p.m. First Sunday
29. Night Prayer : 9.30 p.m. Third Friday
30. Fasting Prayer : 9:30 a.m. Second Saturday
31. Holy Communion : Second Sunday Services
32. Youth / Kid Prayer : 10.00 p.m. daily (over phone)
33. Staff Devotion : 9.00 a.m. daily
34. Office : 9.00 a.m. to 9.00 p.m. (except Sundays)

## Echo of His Call Postal Courses for candidates in India

### 1. BIBLECOR

We offer Postal Course on Basic Truths of The Bible to new Christians and non-Christians in English – 57 pages, Hindi – 76 pages & Tamil – 96 pages. You will get a Course Book entitled **New Life – For You!** **After the completion of this course, you will get a certificate. There will be no compulsory fees. You will be blessed!** - Editor

### 2. THEOLOGICAL CORRESPONDENCE COURSE

Advanced Distance Education called **Theological Correspondence Course** is available in English – 537 pages and Tamil – 652 pages for Pastors, Evangelists, Christian Leaders and for lay people who have passion to do God's Ministry! A fee of Rs. 1000/- is charged. 7 Books with 149 Chapters are supplied. **Certificate in Ministry** will be awarded. **God will bless you!**

***For more details, write to us.***

**The Chairman, Nehemiah Bible College,**
**Echo of His Call, Post Box 2957**
CHEPAUK, CHENNAI - 600 005.

**Ph.: (044) 2852 8282, 2852 9293, 2854 7766,**
**Cell : 98410 71852, 95661 31858**
**E.mail : biblecor@yahoo.co.in**

## WANTED
## PRINCIPAL
### for
**CHRISTIAN MATRICULATION SCHOOL**
**at**
**Chennai.**

We need well qualified, experienced, dedicated, hard working and mission oriented Christian.

Apply to :
E.mail: biblecor@yahoo.co.in
WhatsApp: (+91) 97908 05460

## TAX EXEMPTION

Donations by any individual or organization from India to **Echo of His Call Educational Trust** are eligible for Income Tax exemption under Section 80G of the Income Tax Act. Official receipts will be issued for this purpose. Please make your Demand Drafts / Cheques / M.O. for such donations in favour of **Echo of His Call Educational Trust** and send to us, along with your Aadhar Number and PAN for getting Income Tax Exemption.

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
# PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫

## আচৰিত কিন্তু সত্য !

**"... কাৰণ মানুহে, যি দেখা পায়, তালৈ চায়, কিন্তু যিহোৱাই মানুহৰ অন্তৰলৈ চায়।" – (১ চামূৱেল, ১৬ঃ৭)**

এবাৰ মোৰ পুত্ৰ এলেক্স চামচন আৰু মোক এখন দেশত প্ৰভুৰ বাৰ্তা দিবলৈ নিমন্ত্ৰণ কৰা হৈছিল। খৰচো বহন কৰিছিল। প্ৰভুৱে আমাক এইখন দেশলৈ চলাই নিছিল আৰু ইয়াত আমাৰ পৰিচৰ্যা বহুত ভাল হৈছিল। প্ৰভুৱে ইয়াত আচৰিত ধৰণে কাৰ্য কৰিছিল আৰু তেওঁ তেওঁৰ বাবে অনেক মানুহক বাচি লৈছিল।

যেতিয়া পৰিচৰ্যাৰ দিন শেষ হ'ল, আমি গুচি আহিবলৈ সাজু হৈ আছিলো। কিন্তু যি ভাইজনে আমাৰ খৰচ বহন কৰিবলৈ প্ৰতিশ্ৰুতি দিছিল, পিছত তেওঁ সেইমতে কৰিব নোৱাৰিলে। এই ধৰণৰ অপ্ৰত্যাশিত পৰিস্থিতিয়ে আমাৰ পৰৱৰ্তী যাত্ৰাত আৰ্থিক সমস্যাৰ সৃষ্টি কৰিলে। তথাপি, এই ঘটনাই আমাৰ শক্তিক বাধা দিব নোৱাৰিলে। শাস্ত্ৰই আমাক এইদৰে কয়, *...তেওঁ মঙ্গলৰ অৰ্থে সকলো উত্তম কাৰ্য একেলগ কৰিছে।* ৰোমীয়া ৮ঃ২৮ এই পদটিয়ে আমাক শান্ত্বনা দিয়ে।

যদিও আমি পৰৱৰ্তী চহৰখনলৈ যাবলৈ উৰাজাহাজৰ টিকট কিনি লৈছিলো আমাৰ হাতত আহাৰ কিনি খাবলৈ ধন নাছিল। যি টিকট আমি কিনিছিলো সস্তীয়া আছিল। গতিকে পৰৱৰ্তী কালত এয়াৰলাইনে আমাক খোৱা পানীও নিদিব। জাহাজ নিজৰ গন্তব্য স্থানলৈকে আহি পোৱালৈকে আমি ভোক আৰু পিয়াহত থাকি ধৈৰ্য্য ধৰি আছিলো।

আশ্চৰ্যজনকভাৱে, মোৰ পুত্ৰ বা মই এই বিষয়ে কাৰো প্ৰতি কোনো তিক্ততা প্ৰকাশ নকৰিলো। আৰ্থিক সহায় দিয়াত ব্যৰ্থ হোৱাৰ বাবে ভাইজনক কেতিয়াও আমি দোষাৰোপ নকৰিলো। এই বিষয়ে আমি নীৰৱে থাকিলো আৰু আমাৰ অন্তৰ অস্থিৰ হোৱা নাছিলো। ঈশ্বৰলৈ গৌৰৱ হওক! সেই চহৰলৈ গৈ পোৱাৰ পাছত, আমাক উষ্ণভাৱে ঈশ্বৰৰ সন্তানসকলৰ দ্বাৰাই স্বাগত জনোৱা হৈছিল আৰু তেওঁলোকে আমাক বিশ্ৰাম কৰা ঠাইলৈ লৈ গৈছিল আৰু অসাধাৰণভাৱে আমাৰ যত্ন লৈছিল।

পিছদিনা এজন ভায়ে আহি আমাক দেখা কৰিলে। তেওঁ কিছু সময়ৰ বাবে আমাৰ সৈতে কথা পাতিলে আৰু মোৰ হাতত এটা খাম তুলি দিছিল। তেওঁ ক'লে, "পালক ঈশ্বৰে মোক এইটো আপোনাক জৰুৰীকালীন খৰচৰ বাবে দিবলৈ পৰামৰ্শ দিছে।" খামৰ ভিতৰত আমাৰ ভ্ৰমণ ব্যয়তকৈ অধিক পৰিমাণৰ টকা আছিল। আমি ইয়াকে দেখি আনন্দত উপচি পৰিছিলো। সেই ভাইজন আৰু তেওঁৰ মণ্ডলীয়ে আমাৰ ভাল বন্ধু হৈ পৰিছিল। কি যে আশ্চৰ্যৰ বিষয় ! আমাৰ একো অভাৱ নহ'ল। এইদৰে ঈশ্বৰে আমাক পথ দেখুৱাই আহিছে।

প্ৰিয় পঢ়ুৱৈসকল, আপোনালোকেও এইদৰে এই ঈশ্বৰক পৰিচৰ্যা কৰিবলৈ বাচি ল'ব নে? *ডেকা সিংহবোৰৰ অভাৱ হয়, সিহঁতে ভোকত কষ্ট পায়; কিন্তু যিসকলে যিহোৱাক বিচাৰে, তেওঁলোকৰ মঙ্গলৰ অভাৱ নহয়।* গীতমালা ৩৪ঃ১০। *যিহোৱা যে কিমান মঙ্গলময় তাক তোমালোকে আস্বাদন কৰি চোৱা; তেওঁত আশ্ৰয় লোৱা লোক ধন্য।*

❖❖❖❖❖

....Contd. from page 6

নিদিলে।

এবাৰ কোনোবা ঈশ্বৰৰ পৰা পিছলৈ ঘূৰি যায়, তেতিয়া তেওঁৰ বাবে এঢলীয়া পতন আহি যায়। গতিকে দায়ুদে দ্ৰুতগতিত তললৈ পৰি গৈ আছিল। তেওঁ কৰ্মৰ পৰিণামবোৰ অতি গভীৰ আছিল।

যেতিয়া তেওঁ ঘূৰি আহিছিল, তেওঁ দেখি হতবাক হৈছিল। কিয়নো তেওঁ যি যি উপাৰ্জন কৰিছিল, সেই সকলো নাইকীয়া হৈ গৈছিল।

১ চামূৱেল ৩০ঃ১-২ ঃ "তৃতীয় দিনা দায়ুদ আৰু তেওঁ লোকসকল চিক্লগ আহি পালে; তাতে তেওঁলোকে দেখিলে যে অমালেকীয়াসকলে আহি চিক্লগ আৰু নেগেভত উপদ্ৰৱ কৰিছে আৰু চিক্লগত সোমাই আক্ৰমণ কৰি জুইৰে পুৰিছে।

তাৰ ভিতৰত থকা তিৰোতা আদি সৰু-বৰ সকলোকে বন্দী কৰি লৈ গৈছে। সিহঁতে কাকো বধ নকৰিলে, কিন্তু সকলোকে লগত লৈ নিজৰ বাটেৰে তেওঁলোক গ'ল।"

দায়ুদে তেওঁৰ ভাৰ্য্যা আৰু দৃঢ় বিশ্বাসী ভক্তসকলকো হেৰুৱালে, যিসকলে প্ৰতিটো সময়ত তেওঁৰ লগত আছিল আৰু সকলো সময়ত যুঁজ কৰিছিল।

১ চামূৱেল ৩০ঃ৬ পদে কয় ঃ "দায়ুদ মহা সংকটত পৰিল; কিয়নো লোকসকলে দায়ুদক শিল দলিয়াই সাৰিবৰ আলোচনা কৰিবলৈ ধৰিলে।"

দায়ুদে সম্পূৰ্ণৰূপে বিচ্ছিন্ন অনুভৱ কৰিছিল, প্ৰত্যেকেই তেওঁৰ বিৰোধী। তেওঁ

তেওঁৰ পৰিয়াল, কৰ্মজীৱন, জমাধন আৰু তেওঁৰ খ্যাতিক হেৰোৱালে-- সকলো এনিশাতে হেৰুৱালে। তেওঁৰ নিজৰ লোকসকলে তেওঁক হত্যা কৰিবলৈ চেষ্টা কৰিছিল। নিৰ্ভৰ কৰিবলৈ কোনো নাছিল। তেওঁৰ অনুভৱ বা সমস্যাক বুজ ল'বলৈ কোনো নাছিল।

এজন চলাওঁতাৰ প্ৰায়ে নিঃসঙ্গ অভিজ্ঞতা হ'ব পাৰে। যেতিয়া পৰিস্থিতি অনুকূল হয়, চলাওঁতাসকলে প্ৰশংসা লাভ কৰে, কিন্তু, যেতিয়া প্ৰতিকূল হয়, তেতিয়া প্ৰায়ে তেওঁলোকে তেওঁলোকৰ অন্তৰৰ ভিতৰৰ অনুভৱক প্ৰকাশ কৰিব নোৱাৰে। আনৰ দৰে, দায়ুদেও সকলো হেৰুৱাই দিছিল। কিন্তু তেৰোঁ তেওঁৰ হতাশাক প্ৰকাশ কৰিবলৈ বা তেওঁৰ যন্ত্ৰণাৰ চিৎকাৰ কৰিবলৈ ঠাই পোৱা নাছিল। আপুনি তেওঁৰ মানসিক অৱস্থা কল্পনা কৰিব পাৰিছেনে?

কেতিয়াবা, আমি বিশ্বাস কৰো যে ঈশ্বৰৰ পৰা দূৰত থকাটো ভাল। কিন্তু ঈশ্বৰে প্ৰায় আমাৰ বাবে দীঘল ৰছী দিছে, কিয়নো আমাৰ বাবে তেওঁৰ প্ৰেম অতি গভীৰ আৰু অগাধ। ইয়ে আমাৰ পাপ আৰু অবাধ্যতাত অতিক্ৰম কৰে। সেই গতিকে তেওঁ স্বৰ্গত সকলো এৰি থৈ আহিলে আৰু এজন সাধাৰণ মানুহৰ আকৃতিক গ্ৰহণ কৰিলে- আমালৈ অনন্ত জীৱন দান কৰিলে।

"যি জনৰ অস্তিত্ব ঈশ্বৰৰূপী আছিল।

তেওঁ ঈশ্বৰৰ সমান হ'লেও তাক কাঢ়ি লোৱা বুলি নামানিলে। বৰং নিজকে শূণ্য কৰিলে। আৰু তেওঁ দাসৰ ৰূপ ধাৰণ কৰিলে।

তেওঁ মানুহৰ নিচিনা হৈ অৱতীৰ্ণ হ'ল। তেওঁ আকাৰ প্ৰকাৰত মানুহৰ দৰে হ'ল। তেওঁ নিজকে সৰু কৰি মৃতুলৈকে, এনে কি ক্ৰুচীয় মৃত্যুলৈকে আজ্ঞাধীন হ'ল।

তেওঁ আমাৰ অস্তিত্বৰ বাবে জীৱন দিবলৈ ক্ৰুচত মৃত্যু হ'ল আৰু আমাৰ জীৱনৰ উদ্দেশ্যক জনালে। তেওঁ আমাক পুৰস্কৃত কৰিবলৈ পুনৰ আহি আছে আৰু তেওঁ আমাৰ বাবে ইচ্ছা কৰাটো হৈছে যে তেওঁ আমাক প্ৰেম কৰিব আৰু আমি তেওঁৰ সৈতে আপোন হৈ চলি যাব লাগে।

## দায়ুদে ঈশ্বৰত শক্তি পালে !

বাইবেলে কয় যে দায়ুদ বহুত নিৰাশ হৈ আছিল। কিন্তু ইয়াকো কয় যে তেওঁ নিজকে ঈশ্বৰত শক্তিশালী কৰিলে ৱাহ ! অৱশেষত তেওঁ উপলব্ধি কৰিলে যে তেওঁ ঈশ্বৰৰ পৰা কিমান দূৰলৈকে বিপথগামী হৈ গৈছিল। তেওঁ শক্তিত পুনৰাই নতুন হ'বলৈ ঈশ্বৰলৈ ঘূৰি আহিছিল। তেওঁ জানিলে যে ঈশ্বৰেই কেৱল তেওঁৰ শক্তিৰ উৎস হয় আৰু আশাহীন পৰিস্থিতিত তেওঁহে সহায় কৰিব পাৰে। তেওঁ পাৰিছিল যে ঈশ্বৰেই বিপদৰ সময়ত সৰ্বদায় উপস্থিত সাহাৰ্য্যকাৰী। দায়ুদে ঈশ্বৰৰ উপস্থিতিক বিচাৰিলে, ঈশ্বৰক সুধিলে পৰৱৰ্তী সময়ত কি কৰিব লাগে আৰু সৰ্বশক্তিমানৰ ওপৰত তেওঁৰ নিৰ্ভৰতা প্ৰদৰ্শন কৰি নিদেৰ্শনাৰ বাবে তেওঁৰ মুখ চালে। এইবাৰ, তেওঁ ঈশ্বৰৰ শক্তিৰ সৈতে আগবাঢ়ি যাবলৈ বিচাৰিলে।

ঈশ্বৰে আমাক কয় যে যেতিয়া দায়ুদে ঈশ্বৰলৈ ঘূৰি গৈছিল (১ চামূৱেল ৩০ঃ১৭), "দায়ুদে সকলো ঘূৰাই পালে।" তেওঁৰ পৰিয়াল, ধন, খ্যাতি, মৰ্যদা, বন্ধু, সম্পত্তি আৰু অধিকাৰ ঘূৰাই পালে। যেতিয়া আমি তেওঁত ভৰসা ৰাখিম, ঈশ্বৰে আমাৰ বাবে এটি পথ উলিয়াই দিব। তেওঁ অতি প্ৰাকৃতিক দুৱাৰবোৰ মুকলি কৰি দিব।

বোধহয় আপুনি নিজকে দায়ুদৰ পৰিস্থিতিত থকাৰ দৰে আছে, আপুনি সকলো হেৰুৱাই দিয়াৰ দৰে অনুভৱ কৰিছে আৰু পুনৰাই ঘূৰাই পাবলৈ ঘূৰি ফুৰিছে আৰু ভাবিছে, "কিবা এটা উপায় আছে নেকি? মই ইয়াত অকলে আছো।"

প্ৰিয় ভাই আৰু ভনীসকল, মনত ৰাখিব আপুনি অকলশৰীয়া নহয়; কেৱল পিতৃলৈ দৌৰ মাৰক আৰু তেওঁ আমাৰ ভালৰ বাবে সকলো পথ ঠিক কৰি দিব।

প্ৰিয় বন্ধুসকল, দায়ুদৰ জীৱনত এডলীয়া পতন তেওঁৰ ভাৱনাৰ পৰা আহিছিল, গতিকে আমি কি ভাবো তাক লৈ সাৱধান হ'ব লাগিব। একে সময়তে, মনত ৰাখিব যে আমাৰ ঈশ্বৰ পিতৃ দয়ালু হয়, মই আৰু আপুনি যাতে তেওঁলৈ ঘূৰি আহিম তাৰ বাবে তেওঁ অনন্তকলীয়া হাত মেলি অপেক্ষা কৰি আছে।

আপুনি তেওঁৰ কাষলৈ দৌৰি যাবনে?

❖❖❖❖❖

## পঢুৱৈসকল মনোযোগ দিয়ক !

### পালক এচ. চাম ছেলভা ৰাজাৰ আত্মজীৱনী !

আমি পালক এচ, চাম ছেলভা ৰাজৰ আত্মজীৱনী পুস্তকৰ আকাৰত প্ৰকাশন সম্পূৰ্ণ কৰাৰ চূড়ান্ত পৰ্য্যায়ত আছো। আমি আপোনালোকৰ সাক্ষ্য বিচাৰি অনুৰোধ জনাইছো, হ'ব পাৰে দহ শাৰীত তেওঁৰ পৰিচৰ্য্যাৰ যোগেদি আত্মিক বৃদ্ধিত কি ভাবে প্ৰভাৱিত হৈছে তাৰ বিস্তাৰিত বিৱৰণ লিখি পঠাওক। অতিৰিক্ত ভাবে আপুনি যদি আত্মজীৱনীত অন্তৰ্ভূক্তৰ বাবে এটি ছবি দিব পাৰে তেন্তে আমি আপোনাক প্ৰশংসা কৰিম।

*- সম্পাদক*

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/24-26 WPP.No.TN/PMG(CCR)/WPP-262/24-26

## Echo of His Call

### ইউ টিউব

**অনুগ্ৰহ কৰি চাবচক্ৰাইব কৰক**

যেতিয়াই আপুনি সময় পায়, দয়া কৰি চাওক আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ চেনেলত চাবচক্ৰাইব কৰক। ধন্যবাদ।

- সম্পাদক

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**
*****
E.mail : sam@echoofhiscall.org

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা   জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

ECHO OF HIS CALL
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/24-26
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/24-26
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th OCTOBER 2024.
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers**, New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**